# ঔপনিৱেশবাদ

## (RISE OF COLONIALISM)

ANURAG BORAH
ASSISTANT PROFESSOR
DEPT. OF HISTORY
RANGIA COLLEGE

# ঔপনিৱেশবাদ

- যেতিয়া এটা জাতিয়ে আন এটা জাতিক বশ কৰি শোষণ কৰে, প্ৰায়ে নিজৰ ভাষা আৰু সাংস্কৃতিক মূল্যবোধক সেই জনসাধাৰণৰ ওপৰত জোৰ কৰি আৰোপ কৰে তেতিয়া ইয়াক ঔপনিৱেশিকতাবাদ হিছাপে আখ্যা দিয়া হয়।
- ঔপনিৱেশিকতাবাদ হৈছে এক পুঁজিবাদী শ্ৰেণী তথা ৰাষ্ট্ৰই ইয়াৰ উপনিবেশক নিয়ন্ত্ৰণ আৰু শোষণ কৰাৰ ব্যৱস্থা।
- ঔপনিৱেশিকতাবাদত দুখন ৰাষ্ট্ৰ জড়িত হৈ থাকে- মাতৃৰাষ্ট্ৰ (Mother Country) আৰু ইয়াৰ উপনিৱেশ (Colony)। ঔপনিৱেশিক ৰাষ্ট্ৰই সামগ্ৰিকভাৱে উপনিৱেশক শোষণ কৰি নিজ মাতৃদেশৰ পুঁজিবাদী স্বাৰ্থ পূৰণ কৰে।

# ঔপনিৱেশৱাদ

- উপনিবেশক শক্তিটোৱে অনুন্নত ঔপনিৱেশিক অঞ্চলৰ কেঁচামাল, খনিজ সম্পদ আৰু বজাৰৰ যোগান নিয়ন্ত্ৰণ কৰে আৰু মাতৃৰাষ্ট্ৰৰ স্বাৰ্থ পূৰণ কৰাত অৰিহনা যোগায়।

- শোষণকামী মাতৃৰাষ্ট্ৰই উপনিবেশসমূহত কম প্ৰযুক্তিৰে কম মূল্যত কেঁচামাল উৎপাদন কৰি উচ্চ মূল্যত সামগ্ৰীসমূহ বজাৰত বিক্ৰী কৰিছিল। উপনিবেশসমূহৰ পৰা সম্পদৰ ক্ৰমৱৰ্ধমান নিষ্কাশন ঘটিছিল।

# ঔপনিৱেশিকতাবাদৰ কিছুমান সাধাৰণ বৈশিষ্ট্য:

- ক) ঔপনিৱেশিকতাবাদ বুলি ক’লে আমি দুখন দেশৰ মাজত ৰাজনৈতিক আৰু সামাজিক সম্পৰ্কৰ ব্যৱস্থাক বুজো এখন দেশ হ’ল শাসক বা মাতৃৰাষ্ট্ৰ আৰু আনখন ইয়াৰ উপনিবেশ।
- খ) ইয়াত উপনিবেশখনৰ ওপৰত শাসকীয় ৰাষ্ট্ৰৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু আইনী আধিপত্য বিদ্যমান আছিল।
- গ) ইয়াত সাম্ৰাজ্যবাদী শক্তি আৰু উপনিবেশৰ মাজত এক শোষণমূলক সম্পৰ্কই বিৰাজ কৰিছিল।
- ঘ) এই ব্যৱস্থাত বৰ্ণগত আৰু সাংস্কৃতিক বৈষম্য দেখা গৈছিল।
- ঙ) ঔপনিৱেশিকতাবাদে উপনিবেশিক দেশসমূহৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক নীতিত বিদেশী আধিপত্যক সূচায়।

# ঔপনিৱেশিকতাবাদৰ উত্থানৰ কাৰণসমূহ:

- **প্ৰথমতে**, নতুন সামুদ্ৰিক পথৰ আবিষ্কাৰৰ লগে লগে নতুন নতুন ঠাই আৰু দেশ আৱিষ্কাৰ হ'ল। কলম্বাছে আমেৰিকা আৱিষ্কাৰ কৰাৰ পিছত স্পেইন আৰু পৰ্তুগালৰ দৰে দেশবোৰে সেই দেশত উপনিবেশ স্থাপন কৰে। যেতিয়া ভাস্কোডাগামাই ভাৰতলৈ যোৱা সাগৰীয় পথ আৱিষ্কাৰ কৰিছিল, তেতিয়া পৰ্তুগালে সেই দেশত নিজৰ উপনিবেশ স্থাপন কৰিছিল। পৰৱৰ্তী সময়ত ফ্ৰান্স আৰু ইংলেণ্ড ভাৰতত নিজৰ উপনিবেশ প্ৰতিষ্ঠা কৰিবলৈ আহিছিল।

- **দ্বিতীয়তে**, অৰ্থনৈতিক প্ৰলোভনে ঔপনিৱেশিকতাবাদক উৎসাহিত কৰিছিল। ইংলেণ্ড, ফ্ৰান্স, স্পেইন, পৰ্তুগালৰ দৰে দেশবোৰে সম্পদৰ শোষণ আৰু অৰ্থলিপ্সাৰ হেতু নিজৰ উপনিবেশ স্থাপন কৰিছিল।

- **তৃতীয়তে**, ঔদ্যোগিক বিপ্লৱে ইউৰোপৰ দেশসমূহক নিজৰ কাৰখানাৰ বাবে বাহিৰৰ পৰা কেঁচামাল ক্ৰয় কৰিবলৈ প্ৰেৰণা যোগাইছিল। যিহেতু, তেওঁলোকৰ কাৰখানাৰ বাবে কোনো বিশাল পৰিমাণৰ কেঁচামাল নাছিল; উপনিবেশৰ পৰা এইখিনি সংগ্ৰহ কৰাৰ বাদে তেওঁলোকৰ হাতত কোনো বিকল্প নাছিল।

- **চতুৰ্থতে**, সাম্ৰাজ্যবাদী প্ৰৱণতা থকা ইউৰোপৰ কিছুমান দেশে নিজৰ উদ্‌বৃত্ত জনসংখ্যা অন্য এলেকালৈ পঠিয়াব বিচাৰিছিল। সেইবাবেই তেওঁলোকে উদ্‌বৃত্ত জনসংখ্যা স্থাপনৰ বাবে নিজা উপনিবেশৰ সন্ধান কৰিছিল।

# ঔপনিৱেশিকতাবাদৰ উত্থানৰ কাৰণসমূহ:

- **পঞ্চমতে,** ঔদ্যোগিক বিপ্লৱৰ বাবে পুঁজিপতিসকল অধিক ধনী হৈ পৰিল আৰু তেওঁলোকে নিজৰ উদ্‌বৃত্ত ধন বাহিৰত বিনিয়োগ কৰাৰ সিদ্ধান্ত লয়। ইয়াৰ ফলত ঔপনিৱেশিকতাবাদৰো জন্ম হয়।
- **ষষ্ঠতে,** ইউৰোপৰ বহু দেশে এছিয়া আৰু ইউৰোপৰ পিছপৰা দেশসমূহক শিক্ষিত কৰিব বিচাৰিছিল। ইংলেণ্ডৰ এজন বিখ্যাত কবি ৰুডিয়াৰ্ড কিপিঙে **'White Men's Burden'** তত্ত্বটো আগবঢ়াইছিল। ইয়াৰ ফলত ইংলেণ্ডে বহিঃৰাজ্যত সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ বাধ্য হয়। এই দৃষ্টিভংগীয়ে ঔপনিৱেশিকতাবাদক প্ৰেৰণা যোগায়।
- **সপ্তমতে**, ইউৰোপৰ বহু দেশে অনুভৱ কৰিছিল যে উপনিবেশসমূহ হৈছে এখন দেশৰ বাবে গৌৰৱৰ বিষয়। ইয়াৰ ফলত ইউৰোপীয় দেশসমূহ যেনে ইংলেণ্ড, ফ্ৰান্স, জাৰ্মানী আৰু পৰ্তুগালৰ মাজত উপনিবেশ প্ৰতিষ্ঠাৰ এক প্ৰতিযোগিতাৰ সৃষ্টি হৈছিল।
- **শেষত**, এছিয়া আৰু আফ্ৰিকাৰ কিছুমান দেশৰ অস্থিৰ ৰাজনৈতিক অৱস্থাই ঔপনিৱেশিকতাবাদৰ উত্থানৰ সুযোগ দিছিল। এনে দুৰ্বলতাৰ সুযোগ লৈ ইউৰোপীয় দেশসমূহে এই দেশসমূহত নিজৰ উপনিবেশ স্থাপন কৰিবলৈ চেষ্টা কৰিছিল আৰু এইদৰে ঔপনিৱেশিকতাবাদ দ্ৰুততৰ হৈ পৰিছিল।

# ঔপনিৱেশিকতাবাদৰ গুণসমূহ:

- **প্ৰথমতে**, ইয়াৰ লক্ষ্য আছিল মাতৃদেশক সমৃদ্ধ কৰা। উপনিবেশৰ পৰা যি ধন-সম্পত্তি আহিছিল, সেই সম্পদে মাতৃ দেশখনক সমৃদ্ধিশালী কৰি তুলিছিল।
- **দ্বিতীয়তে**, মাতৃদেশৰ ঔদ্যোগিক বিকাশৰ বাবে ঔপনিৱেশিকতাবাদে অৰিহণা যোগাইছিল। মাতৃ দেশলৈ ইয়াৰ উপনিবেশৰ পৰা কেঁচামাল অনা হৈছিল আৰু ফলস্বৰূপে কাৰখানাবোৰত উৎপাদন বৃদ্ধি পাইছিল।
- **তৃতীয়তে**, দেশৰ উদ্‌বৃত্ত জনসংখ্যাক বিভিন্ন উপনিবেশলৈ পঠোৱা হৈছিল। ইয়াৰ ফলত মাতৃদেশৰ বোজা কমি আহে আৰু দৰিদ্ৰতা হ্ৰাস পায়।
- **চতুৰ্থতে**, মাতৃ দেশখনে বহুতো শক্তিশালী আৰু প্ৰতিভাশালী লোকক বিভিন্ন উপনিবেশলৈ পঠিয়াইছিল যাৰ ফলস্বৰূপে উপনিবেশসমূহত সুস্থিৰ প্ৰশাসন ব্যৱস্থা স্থাপিত হৈছিল।
- **পঞ্চমতে**, ঔপনিৱেশিকতাবাদে মাতৃদেশৰ প্ৰতিপত্তি বৃদ্ধি কৰিছিল। এখন দেশৰ যিমানেই উপনিবেশ আছিল সিমানেই ইয়াৰ প্ৰতিপত্তি বৃদ্ধি পাইছিল।

# ঔপনিৱেশিকতাবাদৰ গুণসমূহ:

- **ষষ্ঠতে,** ই উপনিবেশসমূহৰ জনসাধাৰণৰ মাজত ঐক্যও গঢ়ি তুলিছিল। মাতৃ দেশৰ আওতালৈ আহি উপনিবেশৰ জনসাধাৰণে একত্রিত হৈ যথাসময়ত মাতৃদেশৰ বিৰুদ্ধে যুঁজি স্বাধীনতা লাভ কৰিছিল। ভাৰতৰ স্বাধীনতা সংগ্ৰাম আছিল ইয়াৰ এক চকুত লগা উদাহৰণ।

- **সপ্তমতে**, ঔপনিৱেশিকতাবাদে শিক্ষা, কৃষি, প্ৰশাসন, উদ্যোগ আৰু বাণিজ্যৰ প্ৰসাৰতো সহায় কৰিছিল। সময়ৰ লগে লগে এই উপনিবেশবোৰ স্বাৱলম্বী হৈ পৰিছিল।

- **অষ্টমতে**, ঔপনিৱেশিকতাবাদে জনসাধাৰণক ‘জাতীয়তাবাদ’, ‘গণতন্ত্ৰ’ আৰু ‘সাংবিধানিকতাবাদ’ৰ বিষয়ে শিকাইছিল। পৰৱৰ্তী সময়ত এই ধাৰণাসমূহে উপনিবেশসমূহৰ জনসাধাৰণক স্বাধীনতা লাভ কৰাত সহায় কৰিছিল।

- **শেষত,** ই মিছনেৰীসকলক খ্ৰীষ্টান ধৰ্ম প্ৰচাৰত সহায় কৰিছিল। বিভিন্ন উপনিবেশত থলুৱা লোকসকলক ই শিক্ষিত কৰি তুলিছিল।

# ঔপনিৱেশিকতাবাদৰ দোষ:

- **প্ৰথমতে,** ই উপনিবেশৰ মানুহক শোষণ কৰিছিল। এই ব্যৱস্থাত উপনিবেশৰ কেঁচামাল নিজ মাতৃ দেশলৈ লৈ যোৱা হ'ল।
- **দ্বিতীয়তে**, মাতৃ দেশখনে থলুৱা শাসকৰ লগত যুঁজিবলগীয়া হৈছিল। অহৰহ যুদ্ধৰ বাবে বিভিন্ন উপনিবেশত শান্তি হেৰাই গৈছিল।
- **তৃতীয়তে**, ঔপনিৱেশিকতাবাদে দাসত্বৰ দৰে কুৎসিত পৰম্পৰাৰ জন্ম দিছিল। মাতৃ দেশখনে নিজৰ উপনিবেশৰ বহু লোকক দাস হিচাপে বিশ্বৰ বিভিন্ন স্থানত বিক্ৰী কৰিছিল।
- **চতুৰ্থতে,** ঔপনিৱেশিকতাবাদে শাসক আৰু শাসিতৰ মাজত এখন দেৱালৰ সৃষ্টি কৰিছিল। শাসক-জাতিয়ে থলুৱা জনসাধাৰণক ঘৃণা কৰিছিল আৰু অত্যাচাৰ কৰিছিল। অৱশেষত বিভিন্ন উপনিবেশৰ জনসাধাৰণে বিদেশী জনসাধাৰণৰ বিৰুদ্ধে বিদ্ৰোহ কৰি তেওঁলোকৰ বিৰুদ্ধে দীৰ্ঘদিনীয়া সংগ্ৰাম কৰিবলগা হৈছিল।
- **অৱশেষত**, ই শাসকসকলক নিজ উপনিবেশসমূহত 'বিভাজন আৰু শাসন' নীতি গ্ৰহণ কৰিবলৈ প্ৰেৰণা যোগাইছিল এই নীতিৰ ফল আছিল বিপৰ্যয়জনক। ই ভাৰতত হিন্দু আৰু মুছলমানৰ মাজত মতানৈক্যৰ সৃষ্টি কৰিছিল আৰু অৱশেষত দেশখনক ভাৰত আৰু পাকিস্তানৰ ৰূপত বিভক্ত কৰি পেলাইছিল।